**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL BULLETIN***

**::::::::::::::::::::::::::::::::::::**

***HEADLINES***

১। ২০১৪ চনৰ পাছত অসমত প্ৰৱেশ কৰা কোনো ব্যক্তিয়েই নাগৰিকত্ব লাভ নকৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। নাগৰিকত্ব সংশোধনী আইনে কোনো ধৰ্ম বা সম্প্ৰদায়ৰ বিৰোধী নহয় আৰু ইছলাম ধৰ্মাৱলম্বীকে ধৰি কোনো ভাৰতীয়ৰ নাগৰিকত্বৰ অধিকাৰ খৰ্ব নহয় বুলি কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশ।

৩। নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাৰ আজি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল।

৪। অসম বিকাশ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি শিৱসাগৰ আৰু চৰাইদেউ জিলাত ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস ।

৫। সমাগত লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলৰ ৰাজ্যৰ ১২ খন আসনৰ বাবে প্ৰাৰ্থী ঘোষণা। ***আৰু***

৬। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটৰ এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি।

০০০০০

২০১৪ চনৰ পাছত অসমত প্ৰৱেশ কৰা কোনো ব্যক্তিয়েই নাগৰিকত্ব লাভ নকৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি স্পষ্ট কৰি দিছে । শিৱসাগৰত আজি পুৱা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, যিসকল লোকৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভুক্ত কৰা হোৱা নাই, অকল তেওঁলোকেহে নাগৰিকত্ব সংশোধনী আইনৰ ব্যৱস্থা অনুসৰি সুফল লাভ কৰিব। ড০ শৰ্মাই কয় যে, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বাবে আবেদন নকৰা কোনো ব্যক্তিয়ে যদি নাগৰিকত্ব সংশোধনী আইনৰ যোগেদি উপকাৰ লাভ কৰে, তেন্তে তেওঁ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিব। তেওঁ কয় যে, একাংশ দল-সংগঠনে এই আইনৰ জৰিয়তে লাখ লাখ ব্যক্তিয়ে অসমত নাগৰিকত্ব লাভ কৰিব বুলি প্ৰচাৰ চলাইছিল যদিও কিমানগৰাকী বিদেশীয়ে প্ৰকৃততে নাগৰিকত্বৰ বাবে আবেদন কৰিব সেইকথা এতিয়াহে স্পষ্ট হৈ উঠিব।

CM VOICE CAST

ইপিনে, নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ প্ৰতিবাদত কেইবাটাও সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। আইনখন বলৱৎ হোৱাৰ প্ৰতিবাদত কংগ্ৰেছ নেতৃত্বাধীন ১৬টা দলৰ বিৰোধী ঐক্যমঞ্চই আজি ৰাজ্যজোৰা হৰতাল ঘোষণা কৰিছে। সদৌ অসম ছাত্ৰ সন্থাই নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে আজি উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছে। ছাত্ৰ সংগঠনটোৱে গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ বিৰুদ্ধে হৰতাল আৰু প্ৰতিবাদ সাব্যস্ত কৰা ৰাজনৈতিক দলসমূহৰ পঞ্জীয়ন বাতিল কৰা হ'ব পাৰে বুলি সকিয়াই দিছে। তেওঁ কয় যে, এনেধৰণৰ প্ৰতিবাদক যোৱা বছৰ ১৯ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ উলংঘন বুলি গণ্য কৰা হ'ব। ৰাজ্যখনত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে অসম আৰক্ষীয়ে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

উল্লেখযোগ্য যে, চৰকাৰে ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ বাবে যোগ্য বুলি বিবেচিত ব্যক্তিসকলৰ বাবে এটা নতুন প'ৰ্টেল মুকলি কৰিছে। আবেদন কৰিব বিচৰা ব্যক্তিসকলে indiancitizenshiponline.nic.in-ত লগ ইন কৰিব পাৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে মোবাইল এপৰ জৰিয়তে আবেদনৰ ব্যৱস্থা কৰাৰ বাবে চি এ এ টু থাউজেণ্ড নাইণ্টিন নামৰ এটা এপ মুকলি কৰিব। কালি ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব সংশোধন নিয়মাৱলীৰ অধিসূচনা জাৰি কৰা হৈছে। নাগৰিকত্ব সংশোধনী আইন অনুসৰি, আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ সংখ্যালঘু

হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকল ভাৰতীয় নাগৰিকত্বৰ বাবে যোগ্য বুলি বিবেচিত হ'ব। নাগৰিকত্ব সংশোধনী আইনে ২০১৯ চনৰ ১২ ডিচেম্বৰত ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰিছিল।

এই আইনৰ অধীনত নাগৰিকত্ব লাভ কৰাৰ ফলত উল্লেখিত দেশসমূহত আতিশয্যৰ সন্মুখীন হোৱা শৰণাৰ্থীসকলে মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰাৰ লগতে তেওঁলোকৰ অৰ্থনৈতিক সুৰক্ষা নিশ্চিত হ'ব। ইয়াৰ উপৰি তেওঁলোকৰ সাংস্কৃতিক, ভাষিক আৰু সামাজিক পৰিচয়ক মৰ্যাদা দিয়া হ'ব বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। আনহাতে, নাগৰিকত্ব সংশোধনী আইন মুছলমান বিৰোধী বুলি একাংশ লোকে বিভ্ৰান্তিকৰ কথা প্ৰচাৰ কৰি আহিছে বুলিও স্পষ্টকৈ কোৱা হৈছে। এই আইন কোনো ধৰ্ম বা সম্প্ৰদায়ৰ বিৰোধী নহয় আৰু ই ইছলাম ধৰ্মাৱলম্বীকে ধৰি কোনো ভাৰতীয় নাগৰিকৰ নাগৰিকত্বৰ অধিকাৰ খৰ্ব নকৰে বুলিও স্পষ্ট কৰি দিয়া হৈছে।

ooooo

ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে চলি থকা বিকাশ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাত ৪৫৪ কোটি টকা ব্যয়সাপেক্ষ ৩২টা প্ৰকল্পৰ উদ্বোধন, ভূমিপূজন আৰু শিলান্যাস কৰে।মুখ্যমন্ত্ৰীয়ে জিলাখনৰ ডিমৌ ৰাইছাই গ্ৰাম্য ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনি আৰু পদক্ষেপৰ খতিয়ান দাঙি ধৰে। তেওঁ কয় যে, ডিমৌত আধাৰশিলা স্থাপন কৰা শিৱসাগৰ চিকিৎসা মহাবিদ্যালয়ৰ কাম ৰাজ্য চৰকাৰে ৩ বছৰত সম্পূৰ্ণ কৰিব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যৰ কন্যাসকলৰ উচ্চ শিক্ষাৰ বাবে অসম চৰকাৰে এখন নতুন আঁচনি গ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত দশম শ্ৰেণী উত্তীৰ্ণ ছাত্ৰীক একাদশ শ্ৰেণীত নামভৰ্তিৰ বাবে চৰকাৰে ১০ হাজাৰকৈ টকা প্ৰদান কৰিব। একেদৰে, দ্বাদশ শ্ৰেণী উত্তীৰ্ণ ছাত্ৰীক স্নাতক পৰ্যায়ত নামভৰ্তিৰ বাবে ১২ হাজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিব দিয়ে। ড০ শৰ্মাই জিলাখনৰ বিভিন্ন চাহ বাগিচা চিকিৎসালয়ৰ বাবে ২৬ খন নতুন এম্বুলেন্স আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে আজি জিলাখনৰ জয়সাগৰৰ ডিমৌ পথাৰত নিৰ্মাণ কৰা অসম আৰক্ষীৰ ২৫ নম্বৰ বেটেলিয়নৰ চাউনী উদ্বোধন কৰে। তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সুৰক্ষাত নিয়োজিত বেটেলিয়নৰ চাউনীটোত ১৫ কোটি টকা ব্যয়সাপেক্ষে ১৩০ বিঘা ভূমিত নিৰ্মাণ কৰা হৈছে। চাউনী উদ্বোধনৰ পাছত মুখ্যমন্ত্ৰীয়ে নাজিৰাত গাহৰি মাংস প্ৰসংস্কৰণ গোট মুকলি কৰে। তেওঁ জিলাখনত বি.এড কলেজ, আমগুৰি ক্ৰীড়া প্ৰকল্প, ধোদৰআলিৰ পৰা ৰহদৈ আলিলৈ নিৰ্মাণ আৰু উন্নয়ন সাধন কৰা পথ প্ৰকল্প তথা ৪টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰে। তেওঁ ৭২ খন ৰাজহুৱা পানী যোগান আঁচনিও উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ আন ১৫টা পথ প্ৰকল্পৰো শিলান্যাস কৰে। ইপিনে, চৰাইদেউ জিলাত মুখ্যমন্ত্ৰীয়ে ২১০ কোটি টকাৰ বিভিন্ন প্ৰকল্প মুকলি কৰে। তেওঁ গৌৰীসাগৰত নিৰ্মিত মাহমৰা ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰে। ১০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত এই প্ৰকল্পই জিলাখনৰ ক্ৰীড়া খণ্ডৰ উত্তৰণত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে ৫ কোটি ৮৩ লাখ টকা ব্যয়সাপেক্ষ টঙিয়াৰ পৰা চাহেবখানা অভিমুখী পথ আৰু প্ৰায় আঢ়ৈ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত ডগাভেটাৰ পৰা গড়পাৰা অভিমুখী আন এটা পথ মুকলি কৰে। তদুপৰি, মুখ্যমন্ত্ৰীয়ে মথুৰাপুৰ সাপ্তাহিক বজাৰখন মুকলি কৰাৰ লগতে জলজীৱন মিছনৰ অধীনত প্ৰায় ৩৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত ২৬ খন ৰাজহুৱা পানী যোগান আঁচনি উদ্বোধন আৰু কেইবাখনো আঁচনিৰ শিলান্যাস কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৰা গুজৰাটৰ আহমেদাবাদত ৮৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও ৰে'ল প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে আহমেদাবাদৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে দেশৰ বিভিন্ন স্থানৰ ৰে'ল প্ৰকল্পৰ লগতে ৰঙিয়াৰ ৰে'ল সংমণ্ডলৰ ৪৬টা নতুন ৰে'ল প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰে। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰীৰ ভাৰতীয় জন ঔষধি কেন্দ্ৰ আৰু দ্বৈত ৰে'ল প্ৰকল্পও আছে। প্ৰধানমন্ত্ৰীয়ে আজি উদ্বোধন কৰা ৰে'ল প্ৰকল্পই নগাঁও জিলাৰ ৫টা ষ্টেচন সামৰি লৈছে। জিলাখনৰ চাপৰমুখ, শেনচোৱা, নগাঁও, ৰূপহী আৰু হয়বৰগাঁও ষ্টেচনক এই প্ৰকল্পৰ দ্বাৰা সামৰি লোৱা হৈছে। এই ষ্টেচনকেইটাত আত্মসহায়ক গোটৰ দ্বাৰা স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী বিক্ৰীৰ সুবিধা দিয়া হ'ব। আনহাতে, শেনচোৱা ষ্টেচনত বিশেষভাৱে মালবাহী গাড়ীৰ যাতায়তৰ ব্যৱস্থা থাকিব। এই উপলক্ষে হয়বৰগাঁও ৰে'ল ষ্টেচনত আয়োজিত অনুষ্ঠান ৰে'লৰ সহকাৰী বাণিজ্য প্ৰৱন্ধক ঋতুৰাজ বৰঠাকুৰৰ উপৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

ইপিনে, কৰিমগঞ্জ জিলাৰ বদৰপুৰ ৰে'ল ষ্টেচনত প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ভাৰতীয় জন ঔষধি কেন্দ্ৰ উদ্বোধন কৰে।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ৰাজ্যৰ ১২ খন আসনত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি নগাঁৱত প্ৰদ্যুৎ বৰদলৈ, শিলচৰত সূৰ্যকান্ত সৰকাৰ, কৰিমগঞ্জত হাফিছ ৰচিদ আহমেদ চৌধুৰী, বৰপেটাত দ্বীপ বায়ন, গুৱাহাটীত মীৰা বৰঠাকুৰ, ধুবুৰীত ৰকিবুল হুছেইন, যোৰহাটত গৌৰৱ গগৈ, শোণিতপুৰত প্ৰেমলাল গুঞ্জু, দৰং-ওদালগুৰিত মাধৱ ৰাজবংশী, ডিফুত জয়ৰাম ইংলেং, কোকৰাঝাৰত গৰ্জন মুছাহাৰি আৰু কাজিৰঙাত ৰোজলীনা তিৰ্কিক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে বৰপেটাৰ সাংসদ আব্দুল খালেকক এইবাৰ প্ৰাৰ্থীত্ব প্ৰদান কৰা নহ'ল। আনহাতে কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈক যোৰহাটৰ প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ **ইণ্ডিয়াজ টেকেড ঃ চিপছ ফৰ বিকশিত ভাৰত** কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰায় এক লাখ ২৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ তিনিটা ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশৰ যুৱ প্ৰজন্মক সম্বোধন কৰিব। গুজৰাটত ধ'লেৰা বিশেষ বিনিয়োগ অঞ্চলত ছেমিকণ্ডাক্টৰ ফেব্ৰিকেচন সুবিধাৰ বাবে আধাৰশিলা স্থাপন কৰাৰ বিপৰীতে গুজৰাট আৰু অসমৰ জাগীৰোডত আউটচ'ৰ্চড ছেমিকণ্ডাক্টৰ এছেম্বলি এণ্ড টেষ্ট সুবিধাৰ বাবে আধাৰশিলা স্থাপন কৰা হ'ব। ছেমিকণ্ডাক্টৰসমূহৰ ডিজাইন, উৎপাদন আৰু প্ৰযুক্তিগত বিকাশৰ ক্ষেত্ৰত দেশক গোলকীয় কেন্দ্ৰৰূপে গঢ়ি তোলা আৰু ইয়াৰ জৰিয়তে দেশৰ যুৱপ্ৰজন্মৰ বাবে নিয়োগৰ সুযোগ বৃদ্ধি কৰাৰ প্ৰধানমন্ত্ৰীৰ লক্ষ্যৰ দিশে আগুৱাই যোৱাৰ ক্ষেত্ৰত এই তিনিওটা প্ৰকল্প অতিকৈ উল্লেখযোগ্য ৰূপে বিবেচিত হৈছে।

কাইলৈৰ অনুষ্ঠানত ছেমিকণ্ডাক্টৰ উদ্যোগৰ নেতৃত্ববৰ্গৰ লগতে দেশৰ মহাবিদ্যালয় পৰ্যায়ৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজ্যৰ সৰ্বাংগীন উন্নয়নৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা বিকাশ যাত্ৰাৰ কাৰ্যসূচীৰ অধীনত বিভিন্ন জিলাত উন্নয়নমূলক আঁচনি উদ্বোধন তথা শিলান্যাস অব্যাহত আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বিকাশ যাত্ৰাৰ অংশ হিচাপে হাইলাকান্দি জিলাৰ উন্নয়নৰ বাবে মুঠ ১৫৭ কোটি টকা মূল্যৰ একাধিক গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন তথা শিলান্যাস কৰে। তদুপৰি তেওঁ চাহ বাগিছা কৰ্তৃপক্ষৰ ওচৰত তিনিখন এম্বুলেন্স আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। আনহাতে জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীয়ুষ হাজৰিকাই বিকাশ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে মৰিগাঁও জিলাৰ জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়, নগাবন্ধা উচ্চ মাধ্যমিক বিদ্যালয় আৰু জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন্তঃগাঁথনিমূলক কামৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে লোক নিৰ্মাণ বিভাগৰ মৰিগাঁও জিলা ক্ষেত্ৰীয় পথ সংমণ্ডলৰ ২০২৩-২৪ বৰ্ষৰ অসম মালা আঁচনিৰ অধীনত ৭২ কোটি টকা ব্যয় সাপেক্ষে বঘৰাৰ পৰা দ'মাল হৈ আঁহতগুড়িলৈ প্ৰায় ২২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ পুনৰ নিৰ্মাণ আৰু উন্নীতকৰণৰ ভূমি পূজনত অংশ লয়।

০০০০০

অসম আৰক্ষীৰ যা-বাহন ব্যৱস্থাপনা অধিক সুসংহত, গতিশীল আৰু দায়বদ্ধ কৰাৰ উদ্দেশ্যে আৰক্ষীৰ প্ৰশাসন, এছ টি এফ, চি ডব্লিউ আৰ, বি আই ই অ'ৰ মহাপৰিদৰ্শক ড০ পাৰ্থসাৰথি মহন্তক অতিৰিক্তভাৱে যান-বাহন আৰু পথ সুৰক্ষা বিভাগৰ মহাপৰিদৰ্শকৰ দায়িত্ব তাৎক্ষণিকভাৱে অৰ্পণ কৰা হৈছে। অসমৰ যানবাহন আৰক্ষীৰ গোটসমূহে এই পদবীটোৰ নিৰ্দেশনা মৰ্মে দায়িত্ব পালন কৰিবলৈ আদেশ জাৰি কৰা হৈছে।

০০০০০

২০২৩-২৪ বৰ্ষৰ মুখ্যমন্ত্ৰীৰ পকীপথ আঁচনিৰ অধীনত আজি নগাঁও-বটদ্ৰৱা সমষ্টিত ১৪ টাকৈ অতি বিধবস্ত পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। বিধায়ক ৰূপক শৰ্মাই আধাৰশিলা স্থাপন কৰা এই পথকেইটা সম্পূৰ্ণৰূপে নিৰ্মাণ হোৱাৰ পাছত নগাঁও-বটদ্ৰৱা সমষ্টিৰ সমূহ জনসাধাৰণৰ যাতায়াত ব্যৱস্থা অতি সুচল কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। এই পথসমূহ পুনৰ নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগে প্ৰায় ১২ কোটি টকা আবণ্টন লাভ কৰা বুলি বিধায়ক শ্ৰী শৰ্মাই প্ৰকাশ কৰে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনত গোৱালপাৰা জিলাৰ ৪০টা ভোটগ্ৰহণ কেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। ভোটগ্ৰহণৰ লগতে নিৰাপত্তাৰ ক্ষেত্ৰতো কেৱল মহিলা নিৰাপত্তাৰক্ষীহে নিয়োগ কৰা হ'ব। ইতিমধ্যে ভোটগ্ৰহণত জড়িত হ'বলগীয়া ২৪৪ গৰাকী মহিলাক প্ৰথম, দ্বিতীয়, তৃতীয় প'লিং বিষয়াৰ লগতে প্ৰিজাইডিং বিষয়া হিচাপে কালিৰ পৰা প্ৰশিক্ষণ প্ৰদান কৰি থকা হৈছে। কালি আৰু আজি প্ৰথম

আৰু দ্বিতীয় প'লিং বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ পিছত কাইলৈ আৰু পৰহিলৈ তৃতীয় প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

ooooo

বঙাইগাঁও জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশে এটা নিৰ্দেশনা যোগে জিলাখনত অনুভাষ যন্ত্ৰ ব্যৱহাৰৰ ক্ষেত্ৰত নাগৰিকৰ মৌলিক অধিকাৰ বজাই ৰখাৰ স্বাৰ্থত কিছুমান স্বৰ্ত বান্ধি দিছে। সেইমৰ্মে প্ৰশানৰ পৰা লিখিত অনুমতি নোলোৱাকৈ জিলাখনৰ যিকোনো ঠাইত কোনো ব্যক্তি বা সংস্থাই অনুভাষ যন্ত্ৰ বজাব নোৱাৰিব লগতে নিশা ১০ বজাৰ পৰা পুৱা ৬ বজাৰ সময়ছোৱাত অনুভাষ যন্ত্ৰ ব্যৱহাৰৰ ক্ষেত্ৰত কঠোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই নিৰ্দেশনা উলংঘা কৰা ব্যক্তি আৰু সংস্থাৰ বিৰুদ্ধে সংশ্লিষ্ট আইনৰ ধাৰামতে ব্যৱস্থা লোৱা হ'ব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

ooooo

কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি চণ্ডিগড়ৰৰ পৰা দেশৰ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্ত কৰিবলৈ **খেল' ইণ্ডিয়া ৰাইজিং টেলেণ্ট আইডেণ্টিফিকেছন** চমুকৈ **কীৰ্তি** শীৰ্ষক কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত শ্ৰী ঠাকুৰে কয় যে, বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ সৈতে জড়িত দেশৰ চুকে-কোণে  নিহিত হৈ থকা যুৱ ক্ৰীড়া প্ৰতিভাসমূহক চিনাক্ত কৰি তেওঁলোকক যথোচিত সা-সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যেৰেই **কীৰ্তি** কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দুটা কেৰল মহিলা ক্ৰীড়াবিদসকলৰ বাবে উৎসৰ্গিত **ক্ৰীড়াৰ বাবে ৰাষ্ট্ৰীয় উৎকৃষ্টতাৰ কেন্দ্ৰ** মুকলি কৰাৰ কথা ঘোষণা কৰে। ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ অনুৰোধ ৰক্ষা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু নীতিৰ সংশোধন কৰি খেল' ইণ্ডিয়া প্ৰতিযোগিতাত পদক বিজয়ীসকলৰ চৰকাৰী চাকৰিত অন্তৰ্ভুক্তিকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

শিক্ষকসকলক সুপ্ৰশিক্ষিত কৰাৰ লক্ষ্যৰে আজি উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাজ্যৰ প্ৰথমটো সাক্ষৰতা আৰু সাংখ্যিকতাৰ বুনিয়াদ শীৰ্ষক পৰীক্ষাগাৰ মুকলি কৰা হয়। আন্তৰ্জাতিক বে-চৰকাৰী সংগঠন আমেৰিকান-ইণ্ডিয়ান ফাউণ্ডেশ্যন ন্যাসৰ সহযোগত প্ৰস্তুত কৰি উলিওৱা এই পৰীক্ষাগাৰটো আজি মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত শিক্ষা বিভাগৰ বহু কেইগৰাকী উচ্চ পদস্থ বিষয়া উপস্থিত আছিল। উল্লেখযোগ্য যে এই পৰীক্ষাগাৰত আজিৰ দিনটোতে প্ৰায় ৫০ গৰাকী শিক্ষকে প্ৰশিক্ষণ গ্ৰহণ কৰে।

ooooo

নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। মুম্বাই ইণ্ডিয়ানছে ইতিমধ্যেই প্লেঅফ পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। আনহাতে পইণ্ট তালিকাৰ তৃতীয় স্থানত থকা ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰৰ বাবে আজিৰ খেলখনত জয়লাভ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ হৈ পৰিছে।

ooooo

ঃসমাপ্তঃ